হে মানৱজাতি! আল্লাহৰ ওচৰত তাওবা কৰা, মই দিনে এশবাৰকৈ তেওঁৰ ওচৰত তাওবা কৰোঁ।

আল-আগাৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এজন চাহাবী আছিল, তেওঁ বৰ্ণনা কৰি কৈছে যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি
অছাল্লামে কৈছেঃ "হে মানৱজাতি! আল্লাহৰ ওচৰত তাওবা কৰা, মই দিনে এশবাৰকৈ তেওঁৰ ওচৰত তাওবা কৰোঁ।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত মানুহক বেছি বেছি ক্ষমা প্ৰাৰ্থনা আৰু তাওবা কৰিবলৈ নিৰ্দেশ দিছে। লগতে তেখেতে নিজৰ বিষয়ে জনাই কৈছে যে, তেখেতে এদিনত এশবাৰতকৈও বেছি তাওবা কৰে আৰু ক্ষমা প্ৰাৰ্থনা কৰে। অথচ তেওঁৰ আগৰ পিছৰ সকলো গুনাহ মাফ কৰি দিয়া আছে। ইয়াৰ মাজত আছে তেখেতৰ বিনয়ী ভাৱ আৰু আল্লাহৰ প্ৰতি থকা দাসত্বৰ বহিঃপ্ৰকাশ।

http://sunnah.global/hadeeth/as/show/4809